# 2025

## ASSAMESE

Paper : ASS0400404

( অসমীয়া লোকসাহিত্য অধ্যয়ন )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৮=৮

(ক) 'অসমীয়া জনসাহিত্য' গ্ৰন্থৰ লেখক কোন?

(খ) এবিধ ধৰ্মনিৰপেক্ষ লোকগীতৰ নাম লিখা।

(গ) 'মহোহো উৎসৱ' কেতিয়া পালন কৰা হয়?

(ঘ) 'তেজীমলা'ৰ সাধুটো কোন শ্ৰেণী সাধুকথাৰ ভিতৰুৱা?

(ঙ) লোককথাৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(চ) *Ballads and Tales of Assam* গ্ৰন্থখনৰ লেখকজনৰ নাম লিখা।

(ছ) লোকসাহিত্যৰ এটা বৈশিষ্ট্য লিখা।

(জ) অসমৰ কোনটো উৎসৱত শাকতোলা গীত গোৱা হয়?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) দুবিধ ধৰ্মমূলক লোকগীতৰ নাম লিখা।

(খ) বিহুগীতৰ ভাগ দুটা কি কি?

(গ) 'জিকিৰ' শব্দটো ক'ৰ পৰা আহিছে আৰু ইয়াৰ অৰ্থ কি?

(ঘ) অসমীয়া মালিতাক ইংৰাজী আৰু বাংলা ভাষাত কি বুলি কোৱা হয়?

(ঙ) দুবিধ অলৌকিক মালিতাৰ নাম উল্লেখ কৰা।

(চ) প্ৰবাদ-প্ৰবচনৰ দুটা বিশেষত্ব উল্লেখ কৰা।

(ছ) দুখন লোকসংস্কৃতি-বিষয়ক গ্ৰন্থৰ নাম লিখা।

(জ) লোককথা প্ৰধানতঃ কেইপ্ৰকাৰৰ আৰু কি কি?

(ঝ) লোকবিদ্যা বিজ্ঞানৰ পিতৃস্বৰূপ গ্ৰিম ভাতৃদ্বয়ৰ নাম কি কি?

(ঞ) উদ্দেশ্যৰ ফালৰ পৰা মন্ত্ৰ দুই প্ৰকাৰৰ, নাম দুটা উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) নিচুকণি গীত

(খ) মন্ত্ৰসাহিত্য

(গ) জন্তুকেন্দ্ৰিক সাধুকথা

(ঘ) হুদুমদেও পূজা

(ঙ) নাওখেলৰ গীত

(চ) বাৰমাহী আৰু বিলাপগীত

(ছ) সাঁথৰ

(জ) আলি-আই-লিগাং

৪। ৰচনাধৰ্মী প্ৰশ্নৰ উত্তৰ দিয়া (যি কোনো দুটা) : ১০×২=২০

(ক) অনুষ্ঠানমূলক লোকগীত বুলিলে কি বুজা? ইয়াৰ বিভিন্ন বিভাগসমূহৰ বিষয়ে বহলাই লিখা।

(খ) কৃষিকেন্দ্ৰিক লোক-উৎসৱসমূহৰ বিষয়ে এটা প্ৰৱন্ধ যুগুত কৰা।

(গ) মালিতাৰ শ্ৰেণীবিভাগ দেখুৱাই ঐতিহাসিক মালিতাৰ বিষয়ে বহলাই আলোচনা কৰা।

(ঘ) লোককথা বুলিলে কি বুজা? লোককথাৰ প্ৰধান ভাগসমূহৰ বিষয়ে বহলাই লিখা।

(ঙ) সাধুকথাসমূহৰ শ্ৰেণীবিভাজন কৰি প্ৰত্যেকটো ভাগৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

★★★